**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 25-05-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত আজি নতুন দিল্লীত ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মিত্ৰজোঁটৰ এখন দিনজোৰা সন্মিলন অনুষ্ঠিত হয়।

২। আকাশবাণীৰ মন কী বাত অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ কৃষ্টি-সংস্কৃতিক ভূয়সী প্ৰশংসা কৰে।

৩। মালদীপৰ বিদেশ মন্ত্ৰী ড০ আব্দুল্লা খালীল তিনিদিনীয়া ভ্ৰমণসূচীৰে আজি নতুন দিল্লীত উপস্থিত হৈছে।

৪। ৰাছিয়াই আজি পুৱাৰ ভাগত ইউক্ৰেইনৰ ওপৰত চলোৱা ড্ৰোন আৰু মিছাইল আক্ৰমণত ৩ টি শিশুসহ ১২ জন লোকৰ মৃত্যু হোৱাৰ লগতে আন বহুকেইজন লোক আহত হৈছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি চেন্নাই ছুপাৰ কিংছে গুজৰাট টাইটানছক ৮৩ ৰানত পৰাস্ত কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত আজি নতুন দিল্লীত ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মিত্ৰজোঁট চমুকৈ এন ডি এৰ এখন দিনজোৰা সন্মিলন অনুষ্ঠিত হয়। এই সন্মিলনত দেশৰ প্ৰতিখন বিজেপি শাসিত ৰাজ্যৰ মুখ্যমন্ত্ৰী আৰু উপ-মুখ্যমন্ত্ৰীসকলে অংশগ্ৰহণ কৰে। বিজেপিৰ সভাপতি জগতপ্ৰকাশ নাড্ডা, গৃহমন্ত্ৰী অমিত শ্বাহ আৰু প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙেও এই সন্মিলনত অংশগ্ৰহণ কৰে। সু-শাসনৰ জৰিয়তে জনসাধাৰণৰ মাজত কেনেদৰে এক ধনাত্মক পৰিৱেশ সৃষ্টি কৰিব পাৰি সেই লৈ সন্মিলনত বিস্তৃতভাৱে আলোচনা কৰা হয়। বিজেপি শাসিত ৰাজ্যসমূহৰ মুঠ ২০ গৰাকী মুখ্যমন্ত্ৰী ১৮ গৰাকী উপ-মুখ্যমন্ত্ৰীয়ে এই আলোচনাত অংশগ্ৰহণ কৰে। এই বৈঠকত গৃহীত হোৱা প্ৰথম প্ৰস্তাৱ অনুসৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু প্ৰতিৰক্ষা বাহিনীক অপাৰেচন সিন্দূৰৰ সফলতাৰ বাবে অভিনন্দন জ্ঞাপন কৰা হয়। দ্বিতীয় প্ৰস্তাৱ অনুসৰি পৰৱৰ্তী লোকপিয়লৰ সময়ত জাতি ভিত্তিক গণনা চলাবলৈ কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্তক আদৰণি জনায়। বিজেপি শাসিত ৰাজ্যসমূহৰ চৰকাৰে জনসাধাৰণৰ বাবে গ্ৰহণ কৰা উত্তম কৰ্মপদ্ধতিৰ বিষয়েও সন্মিলনত আলোচনা কৰা হয়। প্ৰত্যেকখন ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে এই সন্দৰ্ভত তেওঁলোকে গ্ৰহণ কৰা পদক্ষেপসমূহ সন্মিলনত উপস্থাপন কৰে।

সভাৰ অন্তত বিজেপিৰ সভাপতি জে পি নাড্ডাই কয়, যে অপাৰেচন সিন্দূৰ সন্দৰ্ভত লোৱা প্ৰস্তাৱত সকলো নেতাই ভাৰতীয় সশস্ত্ৰ বাহিনীয়ে পাকিস্তানৰ সন্ত্ৰাসবাদীৰ ঘাটি উৎখাত কৰাৰ বাবে প্ৰদৰ্শন কৰা সাহস আৰু

বীৰত্বক অভিবাদন জনাইছে। তেওঁ লগতে স্পষ্ট কৰি দিয়ে যে, বিজেপিয়ে কেতিয়াও জাতিকেন্দ্রিক ৰাজনীতি নকৰে। কিয়নো সমাজৰ পিছপৰা লোকসকলক উন্নত জীৱন-ধাৰণ প্ৰদান কৰিব পৰাটো দেশৰ স্বাভিমানৰ প্ৰতীক।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আকাশবাণীৰ মন কী বাত অনুষ্ঠানত উত্তৰ-পূৰ্বাঞ্চলৰ কৃষ্টি-সংস্কৃতিক ভূয়সী প্ৰশংসা কৰে। ৰাইজিং নৰ্থ-ইষ্ট শীৰ্ষ সন্মিলনৰ প্ৰসঙ্গ উত্থাপন কৰি তেওঁ ছিকিমৰ পৰম্পৰাগত হস্ততাঁত-বস্ত্ৰশিল্পৰ, আধুনিকতাৰ সৈতে সংমিশ্ৰন ঘটাই থলুৱাভাৱে আকৰ্ষণীয় বস্ত্ৰ সামগ্ৰী উৎপাদন কৰা Crafted Fibers নামৰ প্ৰতিষ্ঠানটোৰ শলাগ লয়। এগৰাকী পশু চিকিৎসকৰ উদ্যোগত ভেড়া আৰু শহাপহুৰ নোমৰ পৰা উৎপাদিত উণক প্ৰাকৃতিক ৰঙৰ জৰিয়তে আকৰ্ষণীয় উৰা কাপোৰ, মোজা আদি প্ৰস্তুত কৰা এই প্ৰতিষ্ঠানে স্থানীয় লোকসকলৰ দক্ষতা বৃদ্ধি কৰি তেওঁলোকক আত্মনিৰ্ভৰশীল কৰি তুলিছে বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে।

অপাৰেচন সিন্দূৰে সমগ্ৰ বিশ্বতে সন্ত্ৰাসবাদ বিৰোধী যুঁজত ভাগ লোৱাসকলৰ আত্মবিশ্বাস বৃদ্ধি কৰা বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে এই অভিযানৰ সময়ত দেশৰ সশস্ত্ৰ বাহিনীসমূহে প্ৰদৰ্শন কৰা সাহসিকতাৰ শলাগ লয়। সীমান্তৰ সিপাৰৰ সন্ত্ৰাসবাদীৰ ঘাটিসমূহত স্থিৰ লক্ষ্যৰে আঘাত হানি ধ্বংস কৰা সুনিৰ্দিষ্ট অভিযানক প্ৰশংসা কৰাৰ লগতে তেওঁ কয় যে সম্প্ৰতি সমগ্ৰ দেশেই সন্ত্ৰাসবাদৰ বিৰুদ্ধে ঐক্যবদ্ধভাৱে থিয় দিছে আৰু ইয়াৰ অৱসান ঘটোৱাৰ বাবে বদ্ধপৰিকৰ হৈ পৰিছে। অপাৰেচন সিন্দূৰ কেৱল এটা সামৰিক অভিযানেই নহয়, বৰঞ্চ ই দেশবাসীৰ সাহস আৰু সংকল্পবদ্ধতাৰ প্ৰতীক বুলিও তেওঁ মত প্ৰকাশ কৰে।

দেশৰ ভিন ভিন মহানগৰৰ লগতে সৰু সৰু চহৰ আৰু গাঁওসমূহতো তিৰংগা যাত্ৰাৰ আয়োজন কৰাৰ প্ৰসংগ উল্লেখ কৰি তেওঁ কয় যে সশস্ত্ৰ বাহিনীৰ সন্মানাৰ্থে হাজাৰ হাজাৰ লোক ত্ৰিৰংগ পতাকা লৈ ৰাজপথলৈ ওলাই আহিছে।

মহাৰাষ্ট্ৰৰ গাড়চিৰোলী জিলাৰ মাওবাদী অধ্যুষিত কাটেঝাৰি গাঁৱলৈ প্ৰথমবাৰৰ বাবে বাছ চলাচল কৰাৰ বিষয়ে উল্লেখ কৰি ইয়াকে লৈ উৎফুল্লিত অঞ্চলটোৰ জনসাধাৰণে ঢোল-নাগাৰা বজাই বাছখনক আদৰণি জনোৱা কাৰ্যক উৎসাহজনক বুলি অভিহিত কৰে আৰু অঞ্চলটোলৈ দ্ৰুত গতিত স্বাভাৱিক অৱস্থা উভতি অহাক লৈ সন্তোষ ব্যক্ত কৰে।

অহা ২১ জুনত উদযাপন কৰিবলগীয়া আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ  প্ৰসঙ্গ উত্থাপন কৰি প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানে জনসাধাৰণক তেওঁলোকৰ দৈনন্দিন জীৱনযাত্ৰাৰ সৈতে যোগক সাঙুৰি লোৱাৰ বিষয়টো পুনৰ সোঁৱৰাই দিয়ে। এইবেলি তেওঁ বিশাখাপটনমত যোগ দিৱসৰ অনুষ্ঠানত অংশগ্ৰহণ কৰিব বুলিও জানিবলৈ দিয়ে।

দেশৰ পৰিবেশতন্ত্ৰৰ সুৰক্ষাৰ লগতে কৃষি ক্ষেত্ৰ আৰু পৰৱৰ্ত্তী প্ৰজন্মসমূহৰ সুৰক্ষাৰ বাবেও মৌ-মাখিক সুৰক্ষা প্ৰদান কৰাটো প্ৰয়োজনীয় বুলি মত প্ৰকাশ কৰি শ্ৰীমোদীয়ে এই প্ৰসঙ্গত পুণেৰ **বী ফ্ৰেইণ্ডছ** নামৰ অনুষ্ঠানৰ বিষয়ে উল্লেখ কৰে। পুণেৰ অমিত নামৰ লোক এজনে আৰম্ভ কৰা এই ব্যৱস্থাই মৌ-মাখিৰ বাহসমূহক সুৰক্ষিত কৰি জনসাধাৰণ আৰু মৌ-মাখি উভয়ে পৰস্পৰৰ কল্যাণৰ হকে কৰা কামৰ শলাগ লয়।

০০০০০

মালদীপৰ বিদেশ মন্ত্ৰী ড০ আব্দুল্লা খালীলে তিনি দিনীয়া ভ্ৰমণসূচীৰে আজি নতুন দিল্লীত উপস্থিত হৈছে। এয়া হৈছে মালদীপৰ বিদেশ মন্ত্ৰীগৰাকীৰ একেটা বছৰতে তৃতীয়টো ভাৰত ভ্ৰমণ। ভাৰত আৰু মালদ্বীপৰ মাজত উচ্চ পৰ্যায়ৰ কূটনৈতিক আদান-প্ৰদানৰ বাবে এই ভ্ৰমণসূচী অব্যাহত আছে। কাইলৈ ড০ খালীলে মালদীপৰ নেতৃত্বত

সামুদ্রিক সুৰক্ষা আৰু অৰ্থনৈতিক অংশীদাৰিত্বৰ সন্দৰ্ভত হ'বলগীয়া ভাৰত-মালদীপৰ এখন উচ্চ পৰ্যায়ৰ বৈঠকত অংশগ্ৰহণ কৰিব। এই ভ্ৰমণসূচীত ড০ খালীলে ভাৰতৰ বিদেশ মন্ত্ৰী এছ্ জয়শংকৰৰ সৈতেও আলোচনাত মিলিত হ'ব।

০০০০০

হিমাচল প্ৰদেশৰ কুল্লু জিলাৰ জগতখানাত কালি সন্ধিয়া সংঘটিত ডাৱৰ বিস্ফোৰণৰ ফলত ব্যাপক ক্ষয়ক্ষতি হৈছে। হঠাৎ নামি অহা পানীৰ ঢৌৱে পথৰ কাষত ৰখাই থোৱা কেইবাখনো বাহন উটুৱাই লৈ যায়। এই অঞ্চলটো ছিমলা জিলাৰ ৰামপুৰৰ সৈতে সংলগ্ন। মহকুমা দণ্ডাধীশ মনমোহন শৰ্মাই জনোৱা মতে ডাৱৰ বিস্ফোৰণৰ ফলত কোনো লোক হতাহত হোৱা নাই যদিও যথেষ্ট পৰিমাণে সা-সম্পত্তি ক্ষতিগ্ৰস্ত হৈছে। প্ৰায় ১৫ খনকৈ গাড়ী পাহাৰৰ পৰা নামি অহা ঢলে উটুৱাই লৈ যায়। বহু আৱাসগৃহত পাহাৰৰ শিল-বালি সোমোৱাৰ ফলত জনসাধাৰণ যথেষ্ট পৰিমাণে সন্ত্ৰস্ত হৈ পৰিছে। ইয়াৰ পিছতে অহা এজাক শিল-বৰষুণ আৰু ধুমুহাই অঞ্চলটোৰ আপেলৰ বাগানৰ যথেষ্ট ক্ষতিসাধন কৰে। বতৰৰ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি প্ৰশাসনে পৰ্যটক আৰু স্থানীয় লোকসকলক সাৱধান হৈ থাকিবলৈ পৰামৰ্শ দিছে।

০০০০০

পাকিস্তানৰ পাঞ্জাব প্ৰদেশৰ পৃথক পৃথক অঞ্চলত অহা ধুমুহা-বৰষুণত কমেও ১৮ জন লোকৰ মৃত্যু হোৱাৰ লগতে ১০০ জনতকৈও অধিক লোক গুৰুতৰভাৱে আহত হৈছে। প্ৰাদেশিক দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষই জনোৱা মতে ধুমুহা বৰষুণত অঞ্চলটোৰ জৰাজীৰ্ণ অট্টালিকা আৰু দুৰ্বল গাঁঠনিসমূহ ভাঙি যোৱাৰ বাবে অধিকাংশ লোকৰ মৃত্যু হৈছে। ঝিলাম, শিয়ালকোট, মুজাফৰগড় জিলাৰ লগতে লাহোৰত সৰ্বাধিক লোকৰ মৃত্যু হোৱা বুলি জানিব পৰা গৈছে। প্ৰশাসনে সদৰি কৰা অনুসৰি লাহোৰত কমেও ১০ জন লোকৰ মৃত্যু হোৱাৰ লগতে ৫১ জন লোক আহত হৈছে।

০০০০০

আজি পুৱাৰ ভাগত ৰাছিয়াই ইউক্ৰেইনৰ ওপৰত চলোৱা ড্ৰোন আৰু মিছাইল আক্ৰমণত ৩ টি শিশুসহ ১২ জন লোকৰ মৃত্যু হোৱাৰ লগতে আন বহুকেইজন লোক আহত হৈছে। ইউক্ৰেইনৰ প্ৰশাসনে কয়, যে এই আক্ৰমণত কেৱল কিয়েভ অঞ্চলতে চাৰিজন লোকৰ মৃত্যু হোৱাৰ লগতে ২৩ জন লোক গুৰুতৰভাৱে আহত হয়। ইউক্ৰেইনৰ বায়ু সেনা বাহিনীয়ে জনোৱা মতে, এই আক্ৰমণত ৰাছিয়াই ৫৬ টা ক্ৰুইজ মিছাইল, ৯ টা বেলিষ্টিক মিছাইল, ৪ টা গাইডেদ মিছাইল আৰু ২৯৮ টা ড্ৰোন ব্যৱহাৰ কৰিছে। ইয়াৰে ৪৫ টা ক্ৰুইজ মিছাইল আৰু ২৬৪ টা ড্ৰোন ইউক্ৰেইনৰ প্ৰতিৰক্ষা বাহিনীয়ে ধংস কৰিছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত আজি চেন্নাই ছুপাৰ কিংছে গুজৰাট টাইটানছক ৮৩ ৰানত পৰাস্ত কৰে। প্ৰথমে বেটিং আৰম্ভ কৰি চেন্নাই ছুপাৰ কিংছে গুজৰাট টাইটানছক জয়ৰ বাবে ২৩১ ৰান লক্ষ্য নিৰ্ধাৰণ কৰি দিছিল। নিৰ্ধাৰিত লক্ষ্য অনুসৰণ কৰি গুজৰাট টাইটানছে ১৮ অভাৰ তিনিটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৪৭ ৰানহে কৰিবলৈ সক্ষম হয়।

আনহাতে কিছুসময়ৰ পিছতে দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত হ'বলগীয়া দ্বিতীয়খন খেলত ছান ৰাইজাৰ্ছ হায়দৰাবাদ কলকাতা নাইট ৰাইডাৰ্ছৰ সন্মুখীন হ'ব।

০০০০০

পেৰিছত আজি ফ্ৰেন্স অপেন টেনিছ প্ৰতিযোগিতা আৰম্ভ হ'ব। ৰোলাঁ-গেৰো হিচাপেও পৰিচিত এই প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছ শাখাত ৰোহন বোপান্না, য়ুকি ভাম্ব্ৰি, এন শ্ৰীৰাম বালাজী আৰু ঋত্বিক চৌধাৰী বল্লিপাল্লিয়ে ভাৰতক প্ৰতিনিধিত্ব কৰিছে। প্ৰথম ৰাউণ্ডৰ খেলত আজি বোপান্নাই তেওঁৰ সহযোগী ছেকগণৰাজ্যৰ আদাম পাভলাছেকৰ সৈতে আমেৰিকান যুটী ৰবাৰ্ট কেছ আৰু জেমছ্ ট্ৰেছীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। য়ুকি ভাম্ব্ৰিয়ে তেওঁৰ সহযোগী আমেৰিকাৰ ৰবাৰ্ট গেল'ৰেসহ নেদাৰলেণ্ডছৰ ৰবিন হাছে আৰু তেওঁৰ জাৰ্মানীৰ হেন্ড্ৰিক জেবেন্স যুটীৰ বিৰুদ্ধে খেলিব।

উল্লেখযোগ্য যে ভাৰতীয় খেলুৱৈসকলে এতিয়ালৈকে ফ্ৰেন্স অ'পেন টেনিছ প্ৰতিযোগিতাৰ ডাবলছ্ আৰু মিক্সড ডাবলছ্ শিতানত সাতটা খিতাপ দখল কৰিছে।

ভাৰতীয় টেনিছ তাৰকা মহেশ ভূপতিয়ে ইয়াৰ ডাবলছ্ আৰু মিক্সড ডাবলছ্ ৪ টা খিতাপ লাভ কৰিছে। ভূপতিয়ে লীয়েণ্ডাৰ পেজৰ সৈতে যুটী বান্ধি ১৯৯৯ আৰু ২০০১ চনত পুৰুষৰ ডাবলছ্ খিতাপ অৰ্জন কৰিছে। ১৯৯৭ চনত তেওঁ জাপানৰ ৰিকা হিৰাকী আৰু ২০১২ চনত ছানীয়া মিৰ্জাৰ সৈতে মিক্সড ডাবলছৰ খিতাপ লাভ কৰে। ইপিনে, লিয়েণ্ডাৰ পেজে ২০০৯ চনত পুৰুষৰ ডাবলছ আৰু ২০১৬ চনত মিক্সড ডাবলছ্ খিতাপ আৰু ৰোহন বোপান্নাই ২০১৭ চনত মিক্সড ডাবলছ শিতানত আন এটা খিতাপ লাভেৰে ভাৰতৰ তালিকাত আৰু দুটা খিতাপ যোগ দিয়ে।

০০০০০

সমাপ্ত